**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-04-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## Headlines

১। সমাগত লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে দেশৰ আন বিভিন্ন স্থানৰ লগতে অসমতো প্ৰচাৰ অভিযানে ক্ৰমাৎ তীব্ৰতা লাভ কৰিছে। ভিন ভিন ৰাজনৈতিক দলৰ কেইবাগৰাকীও তাৰকা প্ৰচাৰকে এই অভিযানত অংশগ্ৰহণ কৰিছে।

২। অসমত আসন্ন লোকসভা নিৰ্বাচনত অধিক ভোটদান নিশ্চিত কৰাৰ উদ্দেশ্যে আজি বিভিন্ন আত্মসহায়ক গোটৰ ৪০ লাখ মহিলাই শপত গ্ৰহণ কৰে।

৩। বিশ্ব স্বাস্থ্য সংস্থাৰ প্ৰতিবেদনত প্ৰকাশ পোৱা মতে সমগ্ৰ বিশ্বত ভাইৰেল হেপাটাইটিছ ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা লোকৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাইছে।

৪। দিল্লীৰ এখন আদালতে, মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে ন্যায়িক জিম্মাত থকা অৱস্থাত তেওঁৰ অধিবক্তাক সাক্ষাতৰ বাবে অধিক সময় বিচাৰি জনোৱা আবেদন অগ্ৰাহ্য কৰিছে।*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ বাবে শাসকীয় বিজেপিৰ হৈ প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে দলটোৰ সাংসদ তথা তাৰকা প্ৰচাৰক মনোজ তিৱাৰী আজি পুৱা মোহনবাৰী বিমানবন্দৰত উপস্থিত হয়। তাৰকা প্ৰচাৰক গৰাকীয়ে আজি তিনিচুকীয়াৰ লগতে ডুমডুমাৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। ইয়াৰ পূৰ্বে ডিব্ৰুগড় লোসকভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হৈ প্ৰচাৰ চলাবলৈ কালি তিনিচুকীয়াত বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ উপস্থিত হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে তিনিচুকীয়াৰ চলিহা নগৰৰ পৰা তিনিচুকীয়া থানা চাৰিআলিলৈ এটা ৰোডশ্ব'ত অংশগ্ৰহণ কৰে। তেওঁৰ সৈতে এই ৰোড শ্ব'ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাও উপস্থিত থাকে। ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী, ৰাজ্যিক বিজেপিৰ বিষয়ববীয়া আৰু ভালেসংখ্যক কৰ্মীয়ে এই ৰোড শ্ব'ত অংশ লয়। আনহাতে ডিব্ৰুগড় সমষ্টিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি টিংখাঙৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

ইপিনে বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ আজি যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত পাতসাঁকো হাইস্কুল খেলপথাৰত এখন নিৰ্বাচনী সমাৱেশত ভাষণ দিয়ে।

কালি বিয়লি উত্তৰ লখিমপুৰৰ এখন জনসভাতো শ্ৰী শ্বাহে অংশগ্ৰহণ কৰে। লখিমপুৰ লোকসভা সমষ্টিৰ চুকুলীভৰীয়াত সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদান বৰুৱাৰ সমৰ্থনত এখন জনসভাক সম্বোধন কৰি শ্ৰী শ্বাহে কয় যে, উত্তৰ পূৰ্বাঞ্চলে দেশৰ সফলতাৰ কাহিনী হিচাপে আত্মপ্ৰকাশ কৰিছে।

ইপিনে আম আদমী পাৰ্টীৰ নেত্ৰী আতিশীয়ে  কালি মাৰ্ঘেৰিটাত এখন জনসভাত অংশ লয়। তেওঁ আজি তেজপুৰত দলীয় প্ৰাৰ্থী ঋষিৰাজ কৌণ্ডিন্যৰ হৈ প্ৰচাৰ কাৰ্যসূচীত ভাগ লয়।

ইফালে, নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে দুদিনীয়া কাৰ্যসূচীৰে অহা ১৬ এপ্ৰিলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ অহাৰ কথা। আনহাতে, কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও অহা ১৭ এপ্ৰিলত যোৰহাটৰ কংগ্ৰেছ তথা সন্মিলিত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ প্ৰচাৰ চলোৱাৰ কথা। তেওঁ ডিব্ৰুগড়ৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যাতিৰ গগৈৰ হৈও প্ৰচাৰ চলাব বুলি জানিব পৰা গৈছে।

ooooooo

অসমত আসন্ন লোকসভা নিৰ্বাচনত অধিক ভোটদান নিশ্চিত কৰাৰ উদ্দেশ্যে আজি বিভিন্ন প্ৰান্তৰ আত্মসহায়ক গোটৰ ৪০ লাখ মহিলাই শপত গ্ৰহণ কৰে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ উদ্যোগত তথা অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান আৰু অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযানৰ সৈতে সহযোগিতামূলক প্ৰচেষ্টা হিচাপে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়।

ইয়াৰ পূৰ্বে আকাশবাণীৰ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি জ্যেষ্ঠ নিৰ্বাচনী বিষয়াসকলে এই সন্দৰ্ভত কয় যে, এই পদক্ষেপৰ জৰিয়তে  মহিলাসকলে নৈতিক ভোটদানৰ প্ৰসাৰত সহায় কৰাটো নিশ্চিত হ'ব।  বিষয়াসকলে লগতে প্ৰকাশ কৰা মতে, অবৈধ সামগ্ৰীৰ সৰবৰাহ ৰোধ কৰাৰ বাবে ৰাজ্যখনত ফ্লায়িং স্কোৱাদ আৰু নিৰীক্ষকৰ দল নিয়োগ কৰা হৈছে। তেওঁলোকে লগতে কয় যে, ভোটগ্ৰহণৰ দিনা ভোটদাতাসকলক খোৱাপানীসহ সকলো ধৰণৰ বুনিয়াদী সা-সুবিধা প্ৰদান কৰা হ'ব আৰু অকল দিব্যাংগ বিষয়াই একাংশ ভোটগ্ৰহণ কেন্দ্ৰৰ পৰিচালনা কৰিব। আনহাতে আমাৰ সংবাদদাতাই জনাইছে যে, ৰাজ্যখনত বৰ্তমানলৈকে ১২৭ কোটি টকাৰ সুৰা আৰু অন্যান্য সামগ্ৰী জব্দ কৰা হৈছে।

ooooooo

বিশ্ব স্বাস্থ্য সংস্থা **হু**ৰ চলিত বৰ্ষৰ হেপাটাইটিছ সম্পৰ্কীয় গোলকীয় প্ৰতিবেদনত প্ৰকাশ পোৱা মতে ভাইৰেল হেপাটাইটিছ ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা লোকৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। প্ৰতিদিনে এই ৰোগত আক্ৰান্ত তিনি হাজাৰ ৫০০ গৰাকীতকৈও অধিক সংখ্যক লোকে প্ৰাণ হেৰুওৱাৰ লগতে এই সংখ্যা ক্ৰমাগত হাৰত বৃদ্ধি পাই আছে বুলি উল্লেখ কৰি, বিশ্ব স্বাস্থ্য সংস্থাই দ্বিতীয় বৃহৎ সংক্ৰামক ৰোগ হিচাপে চিহ্নিত এইবিধ ৰোগৰ বিৰুদ্ধে খৰটকীয়া ব্যৱস্থা গ্ৰহণৰ  বিষয়ে সকিয়াই দিয়ে।

তথ্যত প্ৰকাশ পোৱা মতে সংক্ৰামক ৰোগ হিচাপে দ্বিতীয় স্থানত উপনীত হোৱা ভাইৰেল হেপাটাইটিছ ৰোগত আক্ৰান্ত হৈ সমগ্ৰ বিশ্বত প্ৰতিবছৰে প্ৰায় ১৩ লাখ লোকৰ মৃত্যু ঘটে আৰু এই সংখ্যা যক্ষ্মা ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যাৰ প্ৰায় সমান। বিশ্বৰ ১৮৭ খন দেশৰ পৰা সংগ্ৰহ কৰা তথ্য অনুসৰি ভাইৰেল হেপাটাইটিছ ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ সংখ্যা ২০১৯ চনৰ ১১ লাখৰ পৰা ২০২২ চনত ১৩ লাখলৈ বৃদ্ধি পাইছে। বিশ্বত এই ৰোগৰ সংক্ৰমণৰ ফলত দৈনিক তিনি হাজাৰ ৫০০ গৰাকী লোকৰ মৃত্যু ঘটাৰ বিষয়ে প্ৰকাশ কৰি এই তথ্যত কোৱা হৈছে

যে ইয়াৰে ৮৩ শতাংশ লোক  হেপাটাইটিছ-বি আৰু ১৭ শতাংশ লোক হেপাটাইটিছ-চি ভাইৰাছত আক্ৰান্ত। এই বীজাণুৰ চিকিৎসাৰ বাবে কাৰ্যকৰী তথা কম মূল্যৰ জেনেৰিক ঔষধৰ ব্যৱস্থা আছে যদিও ২০২২ চনৰ শেষ ভাগলৈ মাত্ৰ ৩ শতাংশ ৰোগীয়েহে বীজাণু প্ৰতিৰোধী চিকিৎসাৰ সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰতিবেদনত প্ৰকাশ পাইছে। আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৰ এই প্ৰতিবেদনত লগতে এই কথাও প্ৰকাশ কৰা হৈছে যে, বিশ্বৰ মুঠ হেপাটাইটিছ ৰোগীৰ দুই-তৃতীয়াংশই ভাৰতবৰ্ষ, বাংলাদেশ, চীন, পাকিস্তান, ইণ্ডোনেছিয়া, ফিলিপাইনছ, ৰাছিয়া, ভিয়েটনাম, নাইজেৰিয়া আৰু ইথিঅ'পিয়াৰ লোক।

০০০০০০০

দিল্লীৰ এখন আদালতে, মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে ন্যায়িক জিম্মাত থকা অৱস্থাত তেওঁৰ অধিবক্তাৰ সাক্ষাতৰ বাবে অধিক সময় বিচাৰি জনোৱা আবেদন অগ্ৰাহ্য কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কাৰাগাৰৰ ভিতৰৰ পৰা চৰকাৰ পৰিচালনা কৰিবলৈ বিচাৰিছে বাবেই তেওঁলৈ বিশেষ সুবিধা আগবঢ়াব নোৱাৰি বুলি মত প্ৰকাশ কৰি বিধি বলৱৎকাৰী সঞ্চালকালয়ে কেজৰিৱালৰ এই আবেদনৰ বিৰুদ্ধে যুক্তি দৰ্শোৱাৰ পৰিপ্ৰেক্ষিতত আদালতে এই সিদ্ধান্ত ঘোষণা কৰে। উল্লেখযোগ্য যে দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে কেইবাটাও গোচৰ ৰুজু হৈ থকাৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ বিষয়টো অনুধাৱন কৰা তথা পৰামৰ্শ দিয়াৰ বাবে সপ্তাহত মাত্ৰ এঘণ্টা সময় যথেষ্ট নহয় বুলি কেজৰিৱালৰ অধিবক্তাই ন্যায়াধীশৰ ওচৰত যুক্তি প্ৰদৰ্শন কৰিছিল।

০০০০০০০

ৰাজ্যসভাৰ ১০ গৰাকী নৱ নিৰ্বাচিত সদস্যই আজি শপতগ্ৰহণ কৰে। নতুন দিল্লীৰ সংসদ ভৱনত আয়োজিত এটা অনুষ্ঠানত উচ্চ সদনৰ সভাপতি জগদীপ ধনখড়ে নৱ নিৰ্বাচিত সাংসদসকলক শপত বাক্য পাঠ কৰোৱায়। আজি শপতগ্ৰহণ কৰা সাংসদসকলৰ কেইগৰাকীমান হ'ল বিজেপিৰ মায়ংকভাই জয়দেৱভাই নায়ক, শিৱসেনা সিন্দে গোটৰ মিলিন্দ মুৰুলী দেওৰা, কংগ্ৰেছৰ ৰেণুকা চৌধুৰী, সমাজবাদী পাৰ্টীৰ ৰামজিলাল সুমন আৰু টি এম চিৰ সাগৰিকা ঘোষ।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চত্তীশগড়ৰ দুৰ্গ জিলাত সংঘটিত বাছ দুৰ্ঘটনাটোক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মতী মুৰ্মুৱে এই ঘটনাটোক দুখজনক বুলি অভিহিত কৰি আহতসকলৰ আশু আৰোগ্য কামনা কৰে। আনহাতে প্ৰধানমন্ত্ৰী মোদীয়ে দুৰ্ঘটনাৰ কবলত পৰা লোকসকলৰ প্ৰতি সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ কথা ঘোষণা কৰাৰ লগতে তেওঁলোকৰ সহায়ৰ বাবে স্থানীয় প্ৰশাসনে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিছে বুলি নিশ্চিত কৰি দিয়ে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আয়াৰলেণ্ডৰ সৰ্বকনিষ্ঠ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱা ছাইমন হেৰিছক অভিনন্দন জনাইছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত কয় যে, গণতান্ত্ৰিক মূল্যবোধৰ সৈতে জড়িত বিশ্বাসৰ আধাৰত গঢ় লৈ উঠা ভাৰত আৰু আয়াৰলেণ্ডৰ মাজৰ ঐতিহাসিক সম্পৰ্কক তেওঁ গুৰুত্বসহকাৰে মৰ্যাদা প্ৰদান কৰি আহিছে। উভয় দেশৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাক অধিক শক্তিশালী কৰি তুলি

শ্ৰী হেৰিছৰ সৈতে একেলগে কাম কৰিবলৈ তেওঁ আগ্ৰহেৰে অপেক্ষা কৰি আছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

0000000

শ্ৰীলংকাৰ কাৰাগাৰৰ পৰা মুক্তি পোৱা ১৯ জন ভাৰতীয় মাছমৰীয়া আজি পুৱা চেন্নাইত উপস্থিত হয়। ৰামানাথাপুৰম জিলাৰ ২১ জন মাছমৰীয়াই ১৭ মাৰ্চত দুখন নাৱেৰে মাছ ধৰিবলৈ গৈছিল আৰু তেওঁলোকৰ নাওখনে আন্তঃৰাষ্ট্ৰীয় সীমা অতিক্ৰম কৰি শ্ৰীলংকাৰ জলভাগত প্ৰৱেশ কৰাৰ অভিযোগত দেশখনৰ নৌসেনাই গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছত তেওঁলোকক জাফনা আদালতত হাজিৰ কৰোৱা হৈছিল। আন্তঃৰাষ্ট্ৰীয় জলসীমা পাৰ কৰাৰ অপৰাধত পুনৰ গ্ৰেপ্তাৰ হোৱা এজন মাছমৰীয়াক এবছৰৰ কাৰাদণ্ড বিহা হয় আৰু আন এজন মাছমৰীয়াক ছমাহৰ বাবে কাৰাদণ্ড বিহা হয়। বাকী কেইজনক মুকলি কৰি দিছিল আৰু সাত দিনৰ পূৰ্বে ভাৰতীয় উচ্চায়ুক্ত কৰ্তৃপক্ষক গতাই দিছিল। এই ১৯ জন মাছ মৰীয়া আজি বিমানেৰে চেন্নাইত উপস্থিত হয়।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱানিশা চণ্ডীগড়ৰ মহাৰাজা যাদবেন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছক ২ ৰানত পৰাস্ত কৰে। পাঞ্জাব কিংছে ১৮৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৮০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

0000000

**ঃ সমাপ্ত ঃ**